# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-04-2026
**Time :** 1100 Hrs.

## *Assamese 11 AM Bulletin*

০০০০০০০

আজি পহিলা ব'হাগ। ৰঙালী বিহুৰ দ্বিতীয় দিনটো আজি মানুহ বিহু হিচাপে পালনৰ বাবে ৰাজ্যজুৰি উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

ৰঙালীৰ পদূলিত অসমীয়া নৱবৰ্ষক আদৰিবৰ বাবে মাহ, হালধিৰে গা ধুই অসমৱাসী সাজু হৈছে। বছৰটোলৈ নিজৰ লগতে পৰিয়াল তথা সমাজৰ কুশল কামনাৰ বাবে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয় আদিত বহু লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ মন্দিৰসমূহতো আজি পুৱাৰে পৰা নেদেখা জনৰ আশীষ লোৱাৰ বাবে বহু লোক সমবেত হৈছে। খানাপাৰা, গণেশগুৰি আৰু লতাশিলৰ গণেশ মন্দিৰ, শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোৱিন্দ মন্দিৰকে ধৰি ধৰ্মীয় স্থানসমূহত বহু লোকে সেৱা জনাইছে। গোৱালপাৰা জিলাৰ শোলমাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰী মা শ্যামা কালী মন্দিৰত পুৱাৰে পৰা ভক্তিপ্ৰাণ ৰাইজে ভিৰ কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস ল'ব। পিঠা-পনা, জা জলপানেৰে অতিথি আপ্যায়নৰ বাবে প্ৰতিগৰাকী অসমীয়া উৎসাহেৰে সাজু হৈছে। ৭ বিহুলৈ চলিবলগীয়া এই উৎসৱমুখৰ সময়ৰ আনন্দ ভগাই ল'বলৈ জনসাধাৰণৰ উৎসাহেৰে সাজু হৈছে। বিহুৰ বাবে প্ৰয়োজনীয় বিবিধ সামগ্ৰীৰে বজাৰসমূহ উভৈনদী হৈ পৰিছে। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। কালি গুৱাহাটীৰ জজ খেলপথাৰত সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ মুকলি বিহু কাৰ্যসূচী ৰূপায়ণ কৰে। মাজুলীৰ সত্ৰসমূহৰ লগতে উজনি অসমৰ আটাইকেইখন জিলা আৰু নামনি অসমতো বিহু উপলক্ষে আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

শিৱসাগৰ জিলাত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু ৰংপুৰৱাসীৰ সহযোগত ৰংঘৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু পালন কৰিবলৈ লোৱা হৈছে। আজি পুৱা বিহুৰ পতাকা উত্তোলনেৰে উৎসৱৰ পাতনি মেলা হ'ব। পুৱা ১০ বজাত প্ৰতিকী স্বৰ্গদেউক লৈ ঐতিহাসিক তলাতল ঘৰৰ পৰা ৰংঘৰ বাকৰিলৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সাংস্কৃতিক অনুষ্ঠানত বিহু হুচৰি, টাই বিহু, গাভৰু বিহু দল আৰু ১০০ গৰাকী ঢুলীয়া-নাচনীয়ে বিহু নাচ প্ৰদৰ্শন কৰাৰ লগতে জনপ্ৰিয় শিল্পীয়ে গীত পৰিৱেশন কৰিব। অনুষ্ঠানত ৰংঘৰৰ ৰংশিঙা শীৰ্ষক স্মৃতিগ্ৰন্থ অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে উন্মোচন কৰিব। লোকসংস্কৃতিৰ সাধক দিজেন গগৈক এই অনুষ্ঠানতে সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

সত্ৰ নগৰী বৰপেটাত সত্ৰীয়া পৰম্পৰাৰ লগতে লোকাচাৰ অটুত ৰাখি আজি দোমাহী পালন কৰা হৈছে। এই সন্দৰ্ভত এয়া আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপ জ্যোতি মহন্ত–

*-ভইচ কাষ্ট-*

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পহিলা ব'হাগ আৰু অসমীয়া নৱবৰ্ষ উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ ওলগ জনাইছে। সামাজিক মাধ্যম যোগে মুখ্যমন্ত্ৰীয়ে এই শুভ দিনটোত সকলোৰে জীৱন পোহৰময় হোৱাৰ কামনা কৰে। মুখ্যমন্ত্ৰীয়ে পয়লা বৈশাখ আৰু বড়ো জনগোষ্ঠীৰ লোকসকলৰ আজি খেৰাই পূজা উপলক্ষে সকলোৰে কুশল-মংগল কামনা কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব'হাগ বিহু তথা অসমীয়া নৱবৰ্ষ উপলক্ষে ৰাইজলৈ আন্তৰিক প্ৰীতি শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

অসম সাহিত্য সভাই আজি পহিলা ব'হাগৰ দিনটো **নিজৰ দিন** হিচাপে উদযাপন কৰিব। সভাৰ প্ৰধান সম্পাদক দেবজিৎ বৰাই প্ৰকাশ কৰা মতে ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক আজি পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজাৰ ভিতৰত সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰিব। নিজৰ দিন উপলক্ষে ৰাজ্যৰ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশত বাস কৰা ৬৫ বছৰ উৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হ'ব। অসম সাহিত্য সভাৰ উদ্যোগত আজি ব'হাগৰ পহিলা দিনটোত ১৪৩৩ ভাস্কৰাব্দলৈ আদৰণি আৰু ভাস্কৰাব্দ সূচনা দিৱস শীৰ্ষক এটা অনুষ্ঠানৰো আয়োজন কৰা হৈছে। গুৱাহাটীৰ আমবাৰীস্থিত সংগীতাচাৰ্য লক্ষ্মীৰাম সদনত এই অনুষ্ঠানটি আয়োজন কৰা হৈছে।

০০০০০০০

গুৱাহাটী মহানগৰ আৰক্ষীয়ে কালি বশিষ্ঠ অঞ্চলত ড্ৰাগছ বিৰোধী অভিযান চলাই মণিপুৰৰ এগৰাকী সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে আৰু তেওঁৰ জিম্মাৰ পৰা ৫০টা নিচাজাতীয় সামগ্ৰীভৰ্তি পাত্ৰ জব্দ কৰে। অভিযুক্ত মহিলাগৰাকীক লামনেও কিপগেন বুলি চিনাক্ত কৰা হৈছে। অভিযুক্ত মহিলাগৰাকী দীৰ্ঘদিন ধৰি ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত থকা বুলি সন্দেহ কৰা হৈছে।

০০০০০০০

**সমাপ্ত**